যদি বায়ু ওলায়, অজু নকৰালৈকে আল্লাহে তোমালোকৰ কাৰো চালাত কবূল নকৰে।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, নবী চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "যদি বায়ু ওলায়, অজু নকৰালৈকে আল্লাহে তোমালোকৰ কাৰো চালাত কবূল নকৰে।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, নামাজৰ শুদ্ধতাৰ বাবে চৰ্ত হৈছে তাহাৰাত বা পৱিত্ৰতা। গতিকে নামাজ পঢ়িব বিচৰা ব্যক্তিৰ বাবে অনিবাৰ্য হৈছে অজু কৰি লোৱা, যদিহে তাৰ অজু ভংগ হৈছে। উদাহৰণস্বৰূপে, শৌচ-প্ৰস্ৰাৱ কৰাৰ পিছত অজু কৰা অথবা টোপনিৰ পৰা উঠি অজু কৰা আদি।

http://www.sunnah.global/hadeeth/as/show/3534